**অসম বিধান সভা**

**তৰাবিহিন প্ৰশ্ন নং ২৯৭**

**উত্তৰ দিয়াৰ তাৰিখ – ১৩/০৭/২০২৬**

**বিষয়ঃ** কাটিগড়া সমষ্টি কিন্নখাল এলাকার জিরো পয়েন্ট বর্ডার ফেন্সিং সম্পর্কিত

শ্ৰীকমলাক্ষ দে পুরকায়স্থ, বিধায়কঃ

মাননীয় গৃহ ও ৰাজনৈতিক বিভাগেৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰিয়া জানাবেন কিঃ

(ক) ১৪ জুন ২০২৬ ইংরেজি তারিখে সকাল ১১.০০ ঘটিকার সময় কাটিগড়া সমষ্টি কিন্নখাল এলাকার রঞ্জিত দাস নামের এক কৃষককে বাংলাদেশের দুর্বৃত্তরা জিরো পয়েন্ট বর্ডার ফেন্সিং এলাকা থেকে অপহৰণ করে। ইহা সত্য কি? যদি সত্য হয়, তাহলে এই ব্যাপরে সরকার কি ব্যবস্থা গ্রহণ করেছে?

(খ) বাংলাদেশী দুর্বৃত্তরা প্রায়ই এই ধরনের ঘটনা করতে দেখা যায় এবং তাতে ভারতেরও অনেক দুর্বৃত্তরা জড়িত থাকে। এই ব্যাপরে বর্ডার এলাকায় উচ্চপর্যায়ের দল পাঠিয়ে তদন্ত করার সরকারের কোনো পরিকল্পনা আছে কি? যদি থাকে তাহলে তাহার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ করছি।

(গ) জিরো পয়েন্ট বর্ডার ফেন্সিং নাথাকায় এই ধরনের ঘটনা ঘটে তাই বর্ডার এলাকা সুরক্ষিত রাখতে সরকার কী কোনো ধরণের পদক্ষেপ গ্রহণ করবে?

(ঘ) বাংলাদেশের সাথে এই এলাকার কিছু মানুষের সম্পর্ক আছে তাই এই ব্যপারে সরকার বিশেষ তদন্ত কবে নাগাদ করবে? তাহার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ করছি।

**উত্তৰ**

**মাননীয় গৃহ ও ৰাজনৈতিক বিভাগৰ মাননীয় মন্ত্ৰী মহোদয় ড° হিমন্ত বিশ্ব শৰ্মা দেৱে উত্তৰ দিবঃ**

(ক) ১৬/০৬/২০২৬ তাৰিখে কাছাৰ কাটিগড়া থানাৰ অন্তৰ্গত কিন্নাৰখালৰ গাঁও- চণ্ডী নগৰ দ্বিতীয় খণ্ডৰ বাসিন্দা শ্ৰী ৰঞ্জিত দাস (৭৭ বছৰ) ক কিন্নাৰখালত আন্তঃৰাষ্ট্ৰীয় সীমান্ত বেৰৰ বাহিৰত অৱস্থিত জিৰ' পইন্ট এলেকাৰ পৰা সন্দেহযুক্ত বাংলাদেশী দুষ্কৃতিকাৰীয়ে অপহৰণ কৰে। ঘটনাৰ ক্ষন্তেক পাছতে এছ এছ পি কাছাৰ ঘটনাস্থলীত উপস্থিত হয় আৰু উপস্থিত থকা স্থানীয় লোক আৰু কৰ্তব্যৰত বি এছ এফৰ জোৱানৰ পৰা পৰিস্থিতিৰ সবিশেষ লয়। তেওঁ আৰু বিএছএফ (সীমা নিৰাপত্তা বাহিনী) আৰু সীমান্তৰক্ষী বাংলাদেশ বিজিবিৰ (BGB) উচ্চপদস্থ বিষয়াৰ সৈতে মিলি দিনজোৰা সমন্বিত প্ৰচেষ্টাৰ ফলস্বৰূপে অপহৃত লোকজনক বিজিবিয়ে (BGB) উদ্ধাৰ কৰি একেদিনাই সন্ধিয়া বিএছএফক গতাই দিয়ে। পিছত শিলচৰ মেডিকেল কলেজ এণ্ড হস্পিতাল (এছ এম চি এইচ), শিলচৰত লোকজনৰ স্বাস্থ্য পৰীক্ষা কৰি ১৭/০৬/২০২৬ তাৰিখে সুস্থিৰ অৱস্থাত ৰিলিজ দিয়া হয়। ঘটনাৰ পিছতে অঞ্চলটোত সীমান্তৰ সতৰ্কতা যথেষ্ট শক্তিশালী কৰা হৈছে। আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ সমীপত আই বি এফৰ (IBF) বাহিৰত অৱস্থিত স্পৰ্শকাতৰ অঞ্চলত কৃষকসকলে কৃষি কাৰ্যকলাপ চলাই থকাৰ সময়ত কৃষকসকলক সুৰক্ষা প্ৰদানৰ বাবে অতিৰিক্ত

জোৱান নিয়োগ কৰি বি এছ এফে (BSF) নিৰাপত্তা ব্যৱস্থা তীব্ৰতৰ কৰি তুলিছে। স্থানীয় বাসিন্দাসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ লগতে অনুৰূপ ঘটনাৰ পুনৰাবৃত্তি ৰোধ কৰাৰ লক্ষ্যৰে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(খ) এই সন্দৰ্ভত এটা তদন্ত আৰম্ভ কৰা হৈছে। যদি ভাৰতীয় পক্ষৰ পৰা কোনো অপৰাধমূলক দিশ উন্মোচিত হয়, তেন্তে উপযুক্ত আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। তদুপৰি ভাৰত-বাংলাদেশ সীমান্ত অঞ্চলত এনে ঘটনাৰ পুনৰাবৃত্তি ৰোধ কৰিবলৈ এছএছপি, কাছাৰে বিএছএফৰ (BSF) উচ্চপদস্থ বিষয়াসকলৰ (ডিআইজি পদবীলৈকে) সমন্বয়ত সীমান্ত অঞ্চললৈ সঘনাই ভ্ৰমণ কৰি নিৰাপত্তা পৰিস্থিতিৰ পৰ্যালোচনা কৰি আছে। প্ৰতিৰোধমূলক সুৰক্ষা ব্যৱস্থাৰ অংশ হিচাপে বিএছএফ আৰু স্থানীয় জনসাধাৰণৰ সৈতে উচ্চ পৰ্যায়ৰ সমন্বয় আৰু সহযোগিতা বজাই ৰখা হৈছে। সীমান্ত অঞ্চলত সন্দেহজনক ব্যক্তি আৰু গতিবিধি সন্দৰ্ভত সময়মতে চোৰাংচোৰা তথ্য প্ৰদান কৰিবলৈ স্থানীয় বাসিন্দাসকলক জড়িত কৰাত বিশেষ গুৰুত্ব দিয়া হৈছে, যাৰ ফলত নিৰাপত্তা সংস্থাসমূহে তৎকালীন প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ সক্ষম হৈছে। এনে কাণ্ড পুনৰাই সংঘটিত হোৱাতো প্ৰতিৰোধ কৰিবলৈ বিজিবিৰ (BGB) সৈতে বিএছএফেও নিকত সমন্বয় বজাই ৰাখিছে, আৰু দ্বিপাক্ষিক সহযোগিতা শক্তিশালী কৰিবলৈ, তথ্য বিনিময় উন্নত কৰিবলৈ, আৰু ফলপ্ৰসূ সীমান্ত ব্যৱস্থাপনা নিশ্চিত কৰিবলৈ বিএছএফ আৰু বিজিবিৰ মাজত নিয়মীয়াকৈ পতাকা বৈঠক আহ্বান কৰা হয়।

(গ) ভাৰত বাংলাদেশ সীমা-সম্পূৰ্ণৰূপে ছীল কৰাৰ ব্যৱস্থা কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ। ভাৰত চৰকাৰৰ উপলব্ধ তথ্য অনুসৰি, মুক্ত হৈ থকা অঞ্চলসমূহত Border Security Force (BSF) এ Comprehensive Integrated Border Management System (CIBMS) ৰ মাধ্যমেৰে তথা নৌকা পৰ্যবেক্ষণ চকী স্থাপন কৰি নিয়মীয়াভাৱে জলভাগ নিৰীক্ষণ কৰি আহিছে।

(ঘ) এই প্ৰশ্ন উত্তৰ ওপৰোক্ত 'ক' আৰু 'খ' ৰ উত্তৰত সন্নিবিষ্ট হৈ আছে।

বি.দ্ৰঃ উত্তৰৰ প্ৰতিলিপি **NeVA Portal** ত **upload** কৰা হৈছে।

ঃঃঃঃঃঃঃঃঃঃঃ